ৰাজনীতি

উত্তৰ প্ৰদেশত নতুন ৰাজনৈতিক সমীকৰণ, অ'ৱেইছী-চন্দ্ৰশেখৰ আজাদৰ নতুন মিত্ৰজোঁট

০২৭ চনৰ উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি নতুন ৰাজনৈতিক মিত্ৰজোঁট গঠন কৰিছে এআইএমআইএমৰ মুৰব্বী আছাদুদ্দিন অ'ৱেইছী আৰু আজাদ সমাজ পাৰ্টি (কাংশীৰাম)ৰ সভাপতি তথা নগিনা সমষ্টিৰ সাংসদ চন্দ্ৰশেখৰ আজাদে। বৃহস্পতিবাৰে লক্ষ্ণৌত অনুষ্ঠিত এখন সংবাদমেলত দুয়োগৰাকী নেতাই মিত্ৰজোঁটৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। নতুন মিত্ৰজোঁটটোৰ নাম 'সামাজিক পৰিৱৰ্তন মৰ্চা' ৰখা হৈছে।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩১



Owaisi, Chandrashekhar Azad form alliance in Uttar Pradesh (SOCIAL MEDIA)

লক্ষ্ণৌ, ১২ নৱেম্বৰ: ২০২৭ চনৰ উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি নতুন ৰাজনৈতিক মিত্ৰজোঁট গঠন কৰিছে এআইএমআইএমৰ মুৰব্বী আছাদুদ্দিন অ'ৱেইছী আৰু আজাদ সমাজ পাৰ্টি (কাংশীৰাম)ৰ সভাপতি তথা নগিনা সমষ্টিৰ সাংসদ চন্দ্ৰশেখৰ আজাদে।

বৃহস্পতিবাৰে লক্ষ্ণৌত অনুষ্ঠিত এখন সংবাদমেলত দুয়োগৰাকী নেতাই মিত্ৰজোঁটৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। নতুন মিত্ৰজোঁটটোৰ নাম 'সামাজিক পৰিৱৰ্তন মৰ্চা' ৰখা হৈছে।

ঘোষণা অনুসৰি, চন্দ্ৰশেখৰ আজাদক উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপেও প্ৰক্ষেপ কৰা হৈছে।

© 2026 NewzNow

এই মিত্রজোঁটৰ জৰিয়তে ৰাজ্যখনৰ দলিত আৰু সংখ্যালঘু ভোটাৰৰ সমর্থন একত্রিত কৰাৰ লক্ষ্য লৈছে দুয়োটা দলে। বিজেপি নেতৃত্বাধীন এনডিএ আৰু সমাজবাদী পার্টি-কংগ্রেছৰ নেতৃত্বাধীন বিৰোধী শিবিৰৰ বাহিৰত এক বিকল্প ৰাজনৈতিক শক্তি গঢ়ি তোলাৰ প্রচেষ্টা হিচাপেও এই পদক্ষেপক বিবেচনা কৰা হৈছে।

ইয়াৰ পূর্বে সমাজবাদী পার্টি আৰু কংগ্রেছৰ সৈতে আসন ভাগ-বাটোৱাৰাৰ মিত্রজোঁটত অন্তর্ভুক্ত হোৱাৰ বাবে অ'ৱেইছীয়ে আগ্রহ প্রকাশ কৰিছিল। কিন্তু সেই প্রচেষ্টা সফল নহ'ল। ইয়াৰ পিছতে এআইএমআইএমে আজাদ সমাজ পার্টিৰ সৈতে মিত্রজোঁটৰ দিশে আগবাঢ়ে।

উত্তৰ প্রদেশ বিধানসভাত মুঠ ৪০৩খন আসন আছে। নতুন মর্চাই কিমানখন আসনত প্রতিদ্বন্দ্বিতা কৰিব, আসন ভাগ-বাটোৱাৰাৰ চূড়ান্ত সূত্র কি হ'ব আৰু আন কোনো আঞ্চলিক দলে মর্চাখনত যোগদান কৰিব নেকি, সেই সন্দর্ভত অধিক তথ্য প্রকাশ কৰা হোৱা নাই।

ৰাজনৈতিক মহলৰ মতে, দলিত আৰু সংখ্যালঘু ভোটাৰৰ প্রভাৱ থকা সমষ্টিসমূহত নতুন মর্চাটোৰ প্রভাৱ পৰিব পাৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2373/owaisi-chandrashekhar-azad-up-alliance